অসম

অসমৰ সাঁচি ৰপ্তানিৰ পথ সুগম কৰাৰ লক্ষ্য, কেন্দ্রীয় মন্ত্রীৰে মন্ত্রীৰ জয়ন্ত মল্লবৰুৱাৰ আলোচনা

গুৱাহাটী বিমানবন্দৰৰ জৰিয়তে সাঁচি ৰপ্তানি সহজসাধ্য কৰা আৰু বিৰল মৃত্তিকা মৌলৰ অন্বেষণ-আহৰণক লৈ কেন্দ্রীয় মন্ত্রীৰ সৈতে আলোচনা কৰে জয়ন্ত মল্লবৰুৱাই।

প্রকাশ: ১২ নৱেম্বৰ ২০২৬, আবেলি ৪:০৮



Assam Minister Jayanta Mallabaruah discussed smoother agar exports through Guwahati airport and the exploration of rare earth materials with two Union ministers. (NewzNow)

নতুন দিল্লী, ১২ নৱেম্বৰ: অসমৰ মূল্যৱান সাঁচি (Agar) ৰপ্তানি গুৱাহাটী বিমানবন্দৰৰ জৰিয়তে অধিক সুচল কৰাৰ লগতে ৰাজ্যখনৰ খনিজ সম্পদৰ অন্বেষণ আৰু আহৰণৰ সম্ভাৱনাক লৈ কেন্দ্রীয় চৰকাৰৰ দুগৰাকী মন্ত্রীৰ সৈতে আলোচনা কৰে অসম চৰকাৰৰ মন্ত্রী জয়ন্ত মল্লবৰুৱাই।

বিত্ত, পৰিৱেশ, বন আৰু জলবায়ু পৰিৱর্তন তথা খনি আৰু খনিজ সম্পদ বিভাগৰ মন্ত্রী জয়ন্ত মল্লবৰুৱাই নতুন দিল্লীত কেন্দ্রীয় পৰিৱেশ, বন আৰু জলবায়ু পৰিৱর্তন মন্ত্রী ভূপেন্দ্র যাদৱক সৌজন্যমূলক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত অসমৰ বন বিভাগৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূর্ণ বিষয় কেন্দ্রীয় মন্ত্রীগৰাকীৰ দৃষ্টিগোচৰ কৰে জয়ন্ত মল্লবৰুৱাই।

বিশেষকৈ অসমৰ সাঁচিৰ আন্তঃৰাষ্ট্রীয় বজাৰত থকা সম্ভাৱনাৰ প্রতি লক্ষ্য ৰাখি লোকপ্রিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্রীয় বিমানবন্দৰৰ জৰিয়তে সাঁচি ৰপ্তানিৰ প্রক্রিয়া অধিক সুচল কৰাৰ বিষয়টোৱে আলোচনাত বিশেষ স্থান লাভ কৰে।

ইয়াৰ উপৰি মন্ত্রী জয়ন্ত মল্লবৰুৱাই কেন্দ্রীয় কয়লা আৰু খনি মন্ত্রী জি. কিষাণ ৰেড্ডীকো তেওঁৰ কার্যালয়ত সাক্ষাৎ কৰে। এই বৈঠকত অসমৰ খনিজ সম্পদৰ অন্বেষণ, আহৰণ আৰু সঠিক ব্যৱহাৰৰ জৰিয়তে ৰাজ্যখনৰ অর্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ বিভিন্ন দিশত আলোচনা হয়।

অসমৰ খনি খণ্ডত থকা সম্ভাৱনাসমূহৰ পূৰ্ণ সদ্ব্যৱহাৰ আৰু ইয়াৰ উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতাৰ বিষয়েও আলোচনা কৰে মন্ত্ৰীগৰাকীয়ে।

ৰাজ্যখনৰ প্ৰাকৃতিক সম্পদৰ উপযুক্ত ব্যৱহাৰ, ৰপ্তানি ব্যৱস্থা উন্নত কৰা আৰু খনিজ সম্পদভিত্তিক উদ্যোগৰ বিকাশৰ জৰিয়তে অসমৰ অৰ্থনৈতিক সম্ভাৱনা বৃদ্ধি কৰাই এই আলোচনাসমূহৰ অন্যতম লক্ষ্য।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/2402/assam-agar-export-rare-earth-minerals